মোক যেতিয়া মিৰাজলৈ লৈ যোৱা হৈছিল, সেই সময়ত মই কিছুমান লোকৰ ওচৰেৰে পাৰ হৈছিলোঁ, সিহঁতৰ নখবোৰ আছিল তামৰ, যিবোৰৰ দ্বাৰা সিহঁতে নিজৰ মুখমণ্ডল আৰু বুকু খামোচি আঘাত কৰি আছিল।

আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "মোক যেতিয়া মিৰাজলৈ লৈ যোৱা হৈছিল, সেই
সময়ত মই কিছুমান লোকৰ ওচৰেৰে পাৰ হৈছিলোঁ, সিহঁতৰ নখবোৰ আছিল তামৰ, যিবোৰৰ
দ্বাৰা সিহঁতে নিজৰ মুখমণ্ডল আৰু বুকু খামোচি আঘাত কৰি আছিল। তেতিয়া মই ক'লোঁ◌ঃ
হে জিব্ৰীল! ইহঁত কোন? তেওঁ ক'লেঃ ইহঁত হৈছে সেইসকল লোক, যিসকলে মানুহৰ মাংস ভক্ষণ কৰিছিল আৰু তেওঁলোকৰ সন্মান সম্ভ্ৰম হৰণ কৰিছিল।" [হাছান] [(আবু দাঊদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, ইছৰা আৰু মিৰাজৰ ৰাতি যেতিয়া মোক আকাশলৈ লৈ যোৱা হৈছিল, তেতিয়া তেখেত এনেকুৱা কিছুমান লোকৰ ওচৰেৰে পাৰ হৈছিল যিসকলৰ নখবোৰ আছিল তামৰ। সিহঁতে সেই নখেৰে নিজৰ মুখমণ্ডল আৰু বুকুত আঘাত কৰি আছিল। এই দেখি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জিব্ৰীল আলাইহিচ্ছালামক সুধিলেঃ ইহঁতে কি এনেকুৱা কাম কৰিছে, যাৰ ফলত এনেকৈ শাস্তি ভোগ কৰি আছে? তেতিয়া জিব্ৰীল আলাইহিচ্ছালামে ক'লেঃ ইহঁত হৈছে সেইসকল লোক যিসকলে মানুহৰ গীবত (সমালোচনা) কৰিছিল, আৰু অন্যায়ভাৱে মানুহৰ সন্মান বিনষ্ট কৰিছিল।

http://sunnah.global/hadeeth/as/show/4229